B A 6th Semester
Paper Code : DSE – 3 (H)
Paper Title : Assamese Short Story & Novel
Unit : I
Teacher Name : Dr. Harish Das.

চুটিগল্পৰ কাহিনীৰ লক্ষ্যৰ একমুখিতা*(Singleness of aim) :*

দৰাচলতে চুটিগল্পক কম পৰিসৰত আবদ্ধ কৰি ৰখা দিশ এটি হ'ল ---- 'লক্ষ্যৰ একমুখিতা' । গুণগত চুটিগল্প এটাত সদায় মানৱ জীৱনৰ কোনো এটি বিশেষ দিশৰ উন্মোচন বা বিশেষ ধৰণৰ কোন এক পৰিৱেশ সৃষ্টি অথবা কোনো এটা অবিস্মৰণীয় মুহূৰ্ত চিত্ৰিত কৰাৰ প্ৰয়া্ দেখা যায় । চুটিগল্প এটাৰ সফলতা নিৰ্ভৰ কৰে অপ্ৰয়োজনীয় বৰ্ণনা, ঘটনা আৰু ভাৱনা পৰিহাৰ কৰি গল্পটোক এটা লক্ষ্যসন্ধানী পথেৰে আগবঢ়াই নিয়াত । সেই কাৰণেই গল্পকাৰজন বৰ্ণনাৰ ক্ষেত্ৰত অত্যন্ত মিতভাষী হ'ব লাগে । এই পৰিমিত ভাষা আৰু প্ৰখৰ মাত্ৰাচেতনাই গল্পকাৰৰ সফলতাৰ মূলমন্ত্ৰ । সেয়েহে সাৰ্থক চুটিগল্পসমূহত এটিও অপ্ৰয়োজনীয় কথা পোৱা নাযায় । এডগাৰ এলেন পোৱে এই প্ৰসংগত মন্তব্য কৰিছে ----"গোটেই গল্পটোতে এনেকুৱা এটা শব্দো লিখিব নালাগে, যিটো শব্দ প্ৰত্যক্ষভাৱে হওক অথবা পৰোক্ষভাৱে হওক পূৰ্বপৰিকল্পিত ৰূপকল্পৰ লগত সম্পৰ্কিত হোৱাৰ প্ৰতি অপ্ৰৱণ ।"

পৃথিবীৰ শ্ৰেষ্ঠ গল্পকাৰসকল এই ক্ষেত্ৰত সদায় সজাগ হোৱা দেখা যায় আৰু তেওঁলোক কেতিয়াও শব্দ প্ৰয়োগৰ বেলিকা ধোঁৱাখুলীয়া হোৱা দেখা নাযায় । কেতিয়াবা কেতিয়াবা চুটিগল্প এটাৰ বীজটো তাৰ প্ৰথম শব্দ বা বাক্যটোতে নিহিত হৈ থাকে । কিছুমান চুটিগল্পৰ শিৰোনামাটোতেই তাৰ সাৰমৰ্ম লুকাই থাকে । ইয়াৰ উদাহৰণস্বৰূপে অসমীয়া সাহিত্যত যোগেশ দাসৰ 'কলপটুৱাৰ মৃত্যু' শিৰোনামাৰ গল্পটোও উল্লেখযোগ্য ।

---------//-----------

B A 6th Semester
Paper Code : DSE – 3 (H)
Paper Title : Assamese Short Story & Novel
Unit : I
Teacher Name : Dr. Harish Das.

উপন্যাসৰ কাহিনী আৰু চৰিত্ৰৰ সম্পৰ্ক *:*

উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ সম্পৰ্ক অতি ঘনিষ্ট। এটাৰ অবিহনে আনটোৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। কাহিনী অবিহনে যেনেকৈ চৰিত্ৰৰ বিকাশ সম্ভৱপৰ নহয়, তেনেকৈ চৰিত্ৰৰ অবিহনে কাহিনীয়ো পূৰ্ণ পৰিণতি লাভ কৰিব নোৱাৰে। গতিকে উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ যোগসূত্ৰ ৰক্ষা কৰা এটা বিশেষ গুৰুত্বপূৰ্ণ কথা। এই ফালৰ পৰাও উপন্যাসক দুই ভাগত ভগাব পাৰি ---- কাহিনী প্ৰধান আৰু চৰিত্ৰ প্ৰধান। যিবোৰ উপন্যাসত লেখকৰ উদ্দেশ্য কোনো এটা বিশেষ কাহিনী দাঙি ধৰা, সেইবোৰকে কাহিনীপ্ৰধান উপন্যাস বোলা হয়। এই শ্ৰেণী উপন্যাসত চৰিত্ৰৰ নিজস্ব মূল্য একো নাথাকে। কেৱল কাহিনীটো প্ৰকাশ কৰিবৰ কাৰণে চৰিত্ৰ অৱলম্বন স্বৰূপে লোৱা হয়। অৰ্থাৎ চৰিত্ৰ কাহিনীৰ অলংকাৰস্বৰূপ। গতিকে এইবোৰ উপন্যাসত কোনো চৰিত্ৰই পূৰ্ণ পৰিণতি লাভ নকৰিলেও বিশেষ কথা নাথাকে। আনহাতে, যিবোৰ উপন্যাসৰ মুখ্য উদ্দেশ্য চৰিত্ৰ সৃষ্টি কৰা, সেইবোৰকে বোলা হয় চৰিত্ৰপ্ৰধান উপন্যাস। এই শ্ৰেণী উপন্যাসত চৰিত্ৰ মুখ্য, কাহিনী গৌণ। ইয়াত উপন্যাসৰ সকলো কথা, সকলো ঘটনা চৰিত্ৰ বিকাশৰ কাৰণে প্ৰয়োগ কৰা হয়। এই দুয়ো শ্ৰেণীৰ উপন্যাসৰ ভিতৰত চৰিত্ৰপ্ৰধান উপন্যাসৰ মূল্যই অধিক। কাহিনীয়ে পঢ়ুৱৈৰ মনত যি ৰেখাপাত কৰে সি অস্থায়ী, কিন্তু চৰিত্ৰই যি ছাপ বহুৱায় সি গভীৰ আৰু স্থায়ী।

উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ সমানুপাত ৰক্ষা কৰা বেছ জটিল কথা। কাহিনীৰ ওপৰত অধিক গুৰুত্ব দিবলৈ গ'লে কাহিনীৰ গতিত আউল লগাৰ সম্ভৱনা। ইংৰাজ ঔপন্যাসিক স্কটৰ উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ বিসংগতি পৰিলক্ষিত হয়। চৰিত্ৰৰ খাতিৰত তেওঁৰ কাহিনীয়ে বহুত ক্ষেত্ৰত বাট এৰি অবাটে যোৱাৰ দৃষ্টান্ত পোৱা যায়। অৱশ্যে এইটো কথা ঠিক যে কাহিনীপ্ৰধান আৰু চৰিত্ৰপ্ৰধান----- এই দুয়ো শ্ৰেণীৰে শ্ৰেষ্ঠ উপন্যাস আছে। তথাপি কাহিনীপ্ৰধান উপন্যাসতকৈ চৰিত্ৰপ্ৰধান উপন্যাসেহে শ্ৰেষ্ঠতাৰ বিশেষ দাবী কৰা দেখা যায়।

-------------//--------------